# কাইলৈ কলাক্ষেত্ৰত ৰূপালীম নাটৰ প্ৰদৰ্শন

মহানগৰ বাৰ্তা, ১৮ ছেপ্টেম্বৰ ঃ দিশপুৰ মহাবিদ্যালয় ড্ৰামাটিক ছ'চাইটীৰ উদ্যোগত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ বহু সমাদৃত 'ৰূপালীম' নাটখন ২০ ছেপ্টেম্বৰত আবেলি ৪ বজাত প্ৰথম দৰ্শনী আৰু সন্ধিয়া ৬.৩০ বজাত দ্বিতীয় দৰ্শনী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত মঞ্চস্থ কৰা হ'ব। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশন কৰিবলগীয়া নাটখন প্ৰযোজনা ড° নৱজ্যোতি বৰা আৰু পৰিচালনা কৰিব মাণিক আহমেদৰ। তদুপৰি, অতিথি শিল্পী হিচাপে নাটখনত অভিনয় কৰিব অভিনেতা দুলাল বেজবৰুৱা, গিগি প্ৰভাত দত্ত আৰু কেইবাগৰাকী শিল্পীয়ে। নাটখনৰ সংগীত পৰিচালনা প্ৰতাপ শৰ্মা, সংগীতত সহযোগী মনদীপ মহন্ত, পোহৰ দিলীপ গগৈৰ বুলি জানিবলৈ দি নাট্যানুষ্ঠান উপভোগ কৰিবলৈ সকলোকে আমন্ত্ৰণ জনাইছে দিশপুৰ ড্ৰামাটিক ছ'চাইটীৰ আহ্বায়ক ড° সঞ্জীৱ কুমাৰ শৰ্মাই।